# ৰামায়ণৰ ইতিবৃত্ত

শ্ৰীসত্যেন্দ্ৰনাথ শৰ্মা
অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক গুৱাহাটী বিশ্ববিদ্যালয়

বীণা লাইব্ৰেৰী
গুৱাহাটী

RAMĀYANAR ITIBRITTA a study of the Ramayana versions in different Indian literatures and in the literatures of the South East Asian countries by Dr Satyendranath Sarma the formerly Tagore Professor in the Department of Modern Indian Languages Gauhati University Published by Sri Santiranjan De of Bina Library Guwahati—1 1989

প্ৰথম স স্কৰণ
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিচেম্বৰ ১৯৮৪

দ্বিতীয় সংস্কৰণ
বীণা লাইব্ৰেৰী
গুৱাহাটী ১৯৮৯

প্ৰকাশক
বীণা লাইব্ৰেৰী
গুৱাহাটী ১৯৮৯ চন

মূল্য—ছাত্ৰ সংস্কৰণ ৮ টকা
শোভন সংস্কৰণ ১ টকা

মুদ্ৰক
শ্ৰীকান্ত বছাক
জয়শ্ৰী প্ৰেছ
৯১/১/বি বৈঠকখানা ৰোড
কলিকতা ৭ ৯

মাতৃসমা বাইদেউ ৺ গুণদা দেৱীৰ চৰণত সশ্ৰদ্ধ অৰ্পণ

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া
বিভাগত ১৯৮১ চনৰ ১৭ জুলাইৰ
পৰা ১৯৮২ চনৰ ১৬ জানুৱাৰী
লৈকে প্ৰদত্ত অতিথি প্ৰাধ্যাপকৰ
ৰামায়ণ সাহিত্যৰ তুলনামূলক
অধ্যয়নযুক্ত ধাৰাবাহিক বক্তৃতা।

# প্ৰকাশকৰ নিবেদন

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অসমৰ ভাষা সাহিত্য আৰু সংস্কৃতিৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ ওপৰত গোহৰ পেলোৱা এলানি পুথি ছপাই উলিওৱাৰ আঁচনি অনুযায়ী ইতিমধ্যে ছখন মূল্যবান গ্ৰন্থ প্ৰকাশিত হৈছে। বৰ্তমান গ্ৰন্থখানি সেই আঁচনিৰে ভিতৰুৱা ৭ম প্ৰকাশন। আমাৰ সৌভাগ্য গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ৰবীন্দ্ৰনাথ ঠাকুৰ প্ৰাধ্যাপক ড সত্যেন্দ্ৰনাথ শৰ্মাদেৱক বিশ্ববিদ্যালয় অনুদান আয়োগৰ সৌজন্যত ডিব্ৰুগড় বিশ্ববিদ্যালয়ে ১৯৮১ চনৰ ১৬ জুলাইৰ পৰা ১৯৮২ চনৰ ১৫ জানুৱাৰীলৈকে অসমীয়া বিভাগৰ অতিথি প্ৰাধ্যাপকৰ পদত বৰণ কৰাৰ সুযোগ লভিছিল। সময়ছোৱা যদিও অসমৰ ৰাজহুৱা জীৱনৰ ওপৰেদি বৈ যোৱা এজাক বা মাৰলিৰ সময় আৰু তাৰ ফলস্বৰূপে দেশখনৰ বিদ্যায়তনিক জীৱনত মাজে মাজে দীঘলীয়া ছেদ পৰিছিল তথাপি তেখেতে তিনিটা পৰ্বত ধাৰাবাহিক ভাৱে একোলানিকৈ গোটেইখিনি বক্তৃতা প্ৰদান কৰি আমাক কৃতজ্ঞতাৰ পাশত বন্দী কৰিবলৈ নেপাহৰিলে অকল সেয়ে নহয় বক্তৃতাসমূহৰ দীঘলীয়া শিকলিডালৰ কোনোবাখিনিত যদি মাজৰ দুই চাৰিপাত থাক কেনেবাকৈ সুলকি পৰিছিল সেই ছিগা শিকলিৰ থাকবোৰ জোৰাই মেলি লিখিত ৰূপত বক্তৃতা মালাৰ সোণৰ শিকলি কৰি যথা সময়ত আমাৰ হাতত গতাই দিছিল। এতিয়া সেই বক্তৃতালানিয়েই ছপাৰ আখৰত এয়া এখন বিপুলায়তন গ্ৰন্থৰ ৰূপ পাইছে। নিশ্চয়কৈ এয়া আমাৰ সাহিত্যৰ আবহমান কালৰ ছাত্ৰ ছাত্ৰীসকলৰ আপুৰুগীয়া সম্পদ হৈ পৰিল।

নকলেও হব এই গ্ৰন্থ নিখিল ভাৰতীয় সাহিত্য পৰম্পৰাৰ এক অপূৰ্ব স্পন্দনময় মানচিত্ৰ আৰু অনন্যসাধাৰণ মানসচিত্ৰ। অসমীয়া সাহিত্যৰ একবাকী সাধক-অধ্যাপকৰ ওৰে জীৱনৰ অধ্যয়ন অধ্যাপনাৰ অভিজ্ঞতাৰে পৰিপুষ্ট এই বক্তৃতামালা তেখেতৰ সাহিত্য-সাধনাৰ এটি সোণৰ দেউল। তেখেতৰ বক্তৃতা মালাৰ বিষয় আছিল ভাৰতীয় প্ৰাদেশিক ভাষাপুঞ্জ আৰু সুদূৰ প্ৰাচ্যৰ ভাষা সমূহত ৰামায়ণ-কথাৰ সাহিত্য-চৰ্চা আৰু তাৰ বিকাশ বিবৰ্তন। প্ৰাদেশিক

ভাষাসমূহৰ কেইবাটাও ভাষাৰ ওপৰত আৰু সিবিলাকৰ উৎসস্বৰূপ সংস্কৃত ভাষাৰ ওপৰত থকা তেখেতৰ পোনপটীয়া অধিকাৰেৰে মূল প্ৰাদেশিক সংস্কৰণ সমূহ তেখেতে অধ্যয়ন কৰি লৈছে। ইয়াৰ লগত সানমিহলি হৈ আছে তেখেতৰ পোনপটীয়া অধিকাৰৰ ভিতৰত নথকা ভাষাবোৰৰ ৰামায় কথাৰ ইংৰাজী সংস্কৰণসমূহৰ সমীক্ষাত্মক অধ্যয়ন। গোটেইখিনি মিলি এই বক্তৃতা মালা ৰামায়ণ-সাহিত্যৰ বিস্তৃততম তুলনামূলক মূল্যা কন।

এনেধৰণৰ তুলনামূলক ৰামায়ণ সাহিত্যৰ অধ্যয়ন যে কোনো আধুনিক ভাৰতীয় সাহিত্যৰ কাৰণেই গৌৰৱৰ বস্তু। আনকি ইংৰাজী ভাষাতো ড সুনীতি কুমাৰ চট্টোপাধ্যায় সস্থ প্ৰকাশিক মৰণোত্তৰ গ্ৰন্থ দ্য ৰামায়ণ ইটছ কেৰেক্টাৰ জেনেছিছ এক্সপান্সন এণ্ড এক্সডাছ খনো এক বিৰল ব্যতিক্ৰমহে। ইংৰাজীত এষাৰ কথা আছে যিজনে মাত্ৰোন বাইবেলখনহে পঢ়িছে তেওঁ বাইবেলৰ বিষয়ে একো নাজানে। এইষাৰ কথা অসমীয়া ভাষা সাহিত্যৰ ছাত্ৰ ছাত্ৰীসকলৰ কাৰণে অকণ অসমীয়া ৰামায়ণ পাঠৰ পৰিপ্ৰেক্ষিতো সমানে প্ৰযোজ্য। এই গ্ৰন্থৰ চাচিনাকিয়ে যে তেওঁলোকৰ ক্ষেত্ৰত এখন নতুন বৌদ্ধিক দিগন্ত উদঙাই দিছে কথাষাৰ নকলেও হব। এই গ্ৰন্থৰ অধ্যয়নে আমাৰ সকলোকে অনাস্বাদিতৰ আস্বাদ দিলে। সেইবাবেই আমি আশা কৰিছোঁ গ্ৰন্থখনৰ প্ৰকাশনে অসমীয়া সাহিত্যৰ নিষ্ঠাবান ছাত্ৰ ছাত্ৰীসকলক আৱশ্যকীয় অনুপ্ৰেৰণা যোগাব।

গ্ৰন্থকাৰ ড শৰ্মাদেৱে কামৰ বিপুল ব্যস্ততাৰ মাজতো নিজেই আহি কাকত চাই দি আমাক দুগুণে ঋণী কৰিল। অৱশেষত এই গ্ৰন্থ নিখুঁতকৈ ছপাই উলিওৱাৰ বাবে পূৰ্বদেশ মুদ্ৰাৰ লগত জড়িত সকলোৰে শলাগ ললো।।

মহেন্দ্ৰ বৰা
লক্ষ্মীনাথ বেজবৰুৱা প্ৰাধ্যাপক
আৰু বিভাগীয় প্ৰধান অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়
২১ নৱেম্বৰ ১৯৮৪

# লেখকৰ বক্তব্য

১৯৮১ চনৰ জুলাই মাহৰ পৰা ১৯৮২ চনৰ জানুৱাৰী মাহলৈকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত অতিথি প্ৰাধ্যাপক (Visiting Professor) ৰূপে ৰামায়ণৰ উৎপত্তি বিকাশ আৰু বিস্তৃতি সম্পৰ্কে এলানি বক্তৃতা দিয়াৰ সুযোগ ঘটিছিল। সেই সময়ত অসমৰ পৰা বিদেশী বিতাৰণৰ আন্দোলন পূৰ্ণোদ্যমে চলাত বক্তৃতামালাত মাজে মাজে বাধা পৰা সত্ত্বেও বিষয়টোৰ প্ৰধান সূতিকেইটাৰ বিকাশৰ গতিপথ প্ৰদৰ্শন কৰিবলৈ যথাসাধ্য চেষ্টা কৰা হৈছিল। বক্তৃতালানিৰ ছিন্নসূত্ৰবোৰ সংযোগ কৰি পুথিৰ আকাৰত প্ৰকাশ কৰিবলৈ বিভাগে ইচ্ছা প্ৰকাশ কৰাত এবছৰৰ ভিতৰত গ্ৰন্থখন সম্পূৰ্ণ কৰি ১৯৮৩ চনৰ জানুৱাৰী মাহত বিভাগীয় অধ্যক্ষ ড° মহেন্দ্ৰ বৰাৰ হাতত অৰ্পণ কৰা হয় আৰু তাৰ এবছৰৰ পাছত গ্ৰন্থখন প্ৰেছত দিয়াৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থখনৰ নাম অলপ বেলেগ ধৰণে দিয়া হৈছিল যদিও বিভাগীয় পৰামৰ্শ মতে ৰামায়ণৰ ইতিবৃত্ত কৰা হল।

ৰামায়ণৰ উৎপত্তি বিকাশ আৰু বিস্তৃতিক এখন বিশাল নদীৰ প্ৰবাহৰ লগত তুলনা কৰিব পাৰি। এখন ডাঙৰ নদীৰ উৎপত্তিস্থল সংকীৰ্ণ হলেও ই যিমানেই আগুৱাই যায় সিমানেই বিভিন্ন স্থানৰ জলধাৰা গ্ৰহণ কৰি প্ৰশস্ত আৰু নানা শাখা উপশাখাত বিভক্ত হৈ বিৰাট অৱবাহিকা প্লাবিত আৰু উৰ্বৰা কৰি প্ৰবাহিত হোৱাৰ দৰে ৰামায়ণেও দুহজাৰ বছৰৰ ইতিহাসত বিভিন্ন দেশ প্ৰদেশ আৰু অঞ্চলৰ সংস্কৃতিৰ ৰস আহৰণ কৰি বিচিত্ৰ বিশাল আৰু বৈভৱশীল হৈ সমস্ত এছিয়া মহাদেশ ঐশ্বৰ্যমণ্ডিত কৰে। স্বাভাৱিকতেই এনে এখন সৰ্বতোপ্ৰসাৰী বহুধাবিভক্ত জনপ্ৰভাৱী আৰু জ্যোতিৰ্বিতানী মহাগ্ৰন্থৰ সম্যক আৰু সৰ্বগ্ৰাসী আলোচনা আৰু বিচাৰ নাতিদীৰ্ঘ গ্ৰন্থত সম্ভৱ নহয় ইয়াৰ কাৰণে কেইবাটাও খণ্ডত বিভক্ত এখন বিৰাট গ্ৰন্থ ৰচনাৰ প্ৰয়োজন। তেনে কৰিবলৈ লেখক হব লাগিব বহু ভাষাবিদ আৰু বিভিন্ন সংস্কৃতিৰ লগত তেওঁৰ কিছু পৰিচয়ো থাকিব লাগিব। এনে এটা দুঃসাহসিক